# প্ৰথম অধ্যায়

# কোচ-ৰাজবংশীসকলৰ জনগোষ্ঠীয় আৰু সাংস্কৃতিক পৰিচয়

# প্ৰথম অধ্যায়

# ১.০০ কোচ-ৰাজবংশীসকলৰ জনগোষ্ঠীয় আৰু সাংস্কৃতিক পৰিচয়

## ১.০১ কোচ ৰাজবংশীসকলৰ জনগোষ্ঠীয় পৰিচয় ঃ

কোচ-ৰাজবংশী জনগোষ্ঠী অসমৰ অতি প্ৰাচীন আৰু বৃহৎ জনগোষ্ঠী। কোচ-ৰাজবংশী জনগোষ্ঠীৰ উদ্ভৱ তথা মূল, বিৱৰ্তনৰ ইতিহাস বৈচিত্ৰতাৰে ভৰা আৰু এই প্ৰসঙ্গত বিভিন্ন পণ্ডিতে বিভিন্ন মন্তব্য আগবঢ়াইছে। ভাৰতীয় সভ্যতাৰ প্ৰাচীন গ্ৰন্থত উল্লেখ থকা কৰচ, কুৱাচ কিৰাত, কোচ, ম্লেছ আদি শব্দবোৰৰ পৰা ধৰি বৰ্তমানৰ কোচ-ৰাজবংশী শব্দটোলৈকে এটা পূৰ্ণাংগ জাতিৰ সামাজিক পৰিচয়ৰ যি ক্ৰমবিৱৰ্তন ঘটিছে সেয়া সঁচাকৈ দীঘলীয়া ইতিহাস আৰু বৈচিত্ৰতাৰে পৰিপূৰ্ণ।

*"ঋগবেদ (১-১৭৪-৭) আৰু পুৰণি তন্ত্ৰসমূহত কুৱাচৰ উল্লেখ আছে। উল্লেখ্য, কোচসকলক পুৰাণ আৰু তন্ত্ৰত 'কুৱাচ' বুলি উল্লেখ কৰা হৈছে। ঋকবেদৰ দুখন ব্ৰাহ্মণ-ঐতৰেয় আৰু কৌশিততকীটো কৰচৰ উল্লেখ পোৱা গৈছে। (ঐঃ ব্ৰাং ২-৮-১ কৌৰ ব্ৰাং ১২-৩)।"*[১]

*"ষষ্ঠদশ শতিকাত অসমতে ৰচনা হোৱা 'যোগিনীতন্ত্ৰৰ মতে 'কুৱাচ'ৰ পৰা 'কোচ' শব্দৰ সৃষ্টি হৈছে। 'পদ্ম পুৰাণতো কুবাচক (Kubacaka) বুলি উল্লেখ আছে। কোনো কোনো পণ্ডিতে ক'ব খোজে যোগিনীতন্ত্ৰ আৰু অন্যান্য তন্ত্ৰ শাস্ত্ৰত উল্লেখ থকা কুবাচ বা কুবাচক শব্দই কোচসকলকে বুজাইছে। পুৰাণ আৰু তন্ত্ৰবোৰৰ আধাৰত চাৰ এডৱাৰ্ড গেইট, ডº হেমিল্টন বুকানন, ডº মহেশ্বৰ নেওগ আদি পণ্ডিতসকলে কুবাচ শব্দই কোচসকলকে বুজাইছে বুলি অভিমত দাঙি ধৰিছে। পুৰণি কালত ভাষাৰ ওপৰত ভিত্তি কৰি গোষ্ঠীসমূহক বেলেগ বেলেগ বুলি চিনাক্ত কৰাৰ প্ৰথা*

*আছিল। অপভাষাৰ কথা কোৱা লোকসকলকেই তেতিয়া 'কুবাচ' বুলি কোৱা হৈছিল।"*[২]

*"সুনীতি কুমাৰ চেটাৰ্জীৰ মতে 'কোচ' শব্দটো ইন্দো আৰ্যভাষাৰ মাজামাজি শব্দ 'কৰজ' বা 'কমচ'ৰ পৰা উদ্ভৱ হোৱা। ইয়াক সংস্কৃত ভাষালৈ ৰূপান্তৰিত কৰিবৰ সময়ত 'কম্বোজ'হোৱাটো বেছি স্বাভাৱিক। যোগিনীতন্ত্ৰ আৰু পদ্মপুৰাণত এই 'কৰজ' 'কমচ' বা 'কম্বোজ' শব্দই শেষত 'কুবাচ' শব্দলৈ ৰূপান্তৰ ঘটে।"*[৩]

*"বুৰঞ্জীবিদ কনকলাল বৰুৱাই মতপোষণ কৰিছে যে 'ম্লেচ' শব্দটো 'মেচ' শব্দৰ সংস্কৃত ৰূপ।"*[৪] ছাৰ এডৱাৰ্ড গেইট আৰু সুনীতি কুমাৰ চেটাৰ্জীয়েও কনকলাল বৰুৱাৰ মতকে সমৰ্থন কৰে।

আনহাতে অম্বিকাচৰণ চৌধুৰীয়ে 'ম্লেছ' শব্দৰ পৰা মেছ শব্দৰ উদ্ভৱ হোৱা নাই বুলি মত পোষণ কৰিছে। তেওঁৰ মতে "*পৃথিৱীৰ মূধচ বা মানুহৰ আদিম বাসস্থান ৰূপে পৰিজ্ঞাত তিব্বত অঞ্চলত থকা বিভিন্ন বড অঞ্চলৰ পৰা ক্ৰমে দক্ষিণৰ নামনিলৈ নামি অহা বৃহৎ বড়ো গোষ্ঠীৰ মানুহ বিলাকে প্ৰয়োজনৰ তাগিদাত বৰ অসমলৈ বা ভূটান দুৱাৰ অঞ্চললৈ নামি অহাৰ সময়ত উত্তৰ বিহাৰৰ মাজেদি ক্ৰমে দক্ষিণলৈ বৈ থকা বিখ্যাত কোচি বা কুশি নদীৰ ভটিয়নী পানী বাটে নামি আহিছিল আৰু কোচি নদীৰ দুয়োপাৰে প্লাবিত হোৱাৰ ফলত সাৰুৱা হোৱা দুয়োকুলে বসবাস কৰি থকা কোচ মানুহবিলাকৰ বৃদ্ধি হোৱাত তাৰেই এটি ঠেঙুলি কোচি নদীৰ পূৰ্ব্বাংশত থকা মেছি নদীৰ পাৰলৈ গুছি আহিছিল। এই মেছি নদীৰ পাৰত নতুনকৈ বসবাস কৰি থকা পূৰ্ব্বৰ কোচৰ বংশধৰ সকলেই 'কোচাৰি' নাম পায়। আনহাতে এই কোচাৰিসকলে মেছি নদীৰ পাৰত বসবাস কৰাৰ বাবেই পৰৱৰ্তী কালত এই চাম মানুহ 'মেছ' নামে পৰিচিত হয়। 'মেছ' শব্দৰ সৃষ্টি সংস্কৃত 'ম্লেছ'ৰ পৰা উদ্ভৱ হোৱা নাই ঃ ই বুদ্ধিজীৱী সকলৰ অপব্যাখ্যাহে।"*[৫]

ম্লেছ অৰ্থাৎ কিৰাত / আৰ্য্যসকলৰ দৃষ্টিত এওঁলোক পাহাৰত থকা খঙাল, জ্ঞান বুদ্ধি কিছু কম থকা ধৰণৰ লোক আছিল। কিৰাতসকলৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষয়ে উমান পাব পাৰি 'পদ্মপুৰাণ'ৰ 'সৃষ্টি খণ্ড'ত উল্লেখিত এটা শ্লোকৰ পৰা য'ত ব্ৰাহ্মণসকলে কিৰাত বা ম্লেছসকলৰ বিষয়ে কৈছে-

*"সৰ্ব-ভক্ষ্য-ৰতা মূঢ়া ম্লেচ্ছা গো-ব্ৰহ্ম-ঘটকঃ*

*কুৱাচাকাঃ পৰে ম্লেচ্ছা এতে কুট য়োন্যঃ*

*তেষাম্ পৈশাচিকী ভাষা লোকাচাৰো ন ৱিদ্যতে'*[৬]

অৰ্থাৎ ইয়াত কিৰাত বা ম্লেছসকলক বৰ্বৰ বুলি কোৱা হৈছে। তেওঁলোক সৰ্বভক্ষণকাৰী, জধামূৰ্খ। তেওঁলোকে গো আৰু ব্ৰাহ্মণক হত্যা কৰে। তেওঁলোকৰ জন্মস্থান পাহাৰত, ভাষা পৈশাচিক চৰিত্ৰৰ আৰু তেওঁলোকৰ কোনো ভাল সামাজিক ৰীতি-নীতি নাই। শ্লোকটিত উল্লেখিত কুৰাচাকাঃ শব্দৰে কিৰাতসকলৰ অন্তৰ্গত কুৰাচ বা কোচসকলৰ কথাই বিশেষভাৱে কোৱা হৈছে যেন লাগে।

*"কম্বোজসকল মূলতঃ তিব্বতৰ অধিবাসী আৰু তেওঁলোক মঙ্গোলীয় গোষ্ঠীৰ লোক আছিল। কোচসকলৰ আদি বাসস্থান তিব্বতেই আছিল বুলি অনুমান কৰা হৈছে। মূল 'কম্বোজ' শব্দৰ পৰাই পাছত 'কোচ' শব্দৰ উৎপত্তি হৈছিল বুলি ধাৰণা কৰিব পাৰি।"*[৭]

*"দিনাজপুৰৰ বাণগড় শিলালিপিত ৮৮০ শকত (৯৬৬ খ্ৰী) গৌড়ৰ 'কম্বোজ' জাতিয়ে শিৱ মন্দিৰ প্ৰতিষ্ঠা কৰাৰ কথা পোৱা যায় (কম্বোজন্বয়া-গৌড়পতি)"*[৮]

*" কোচসকলে হিন্দুধৰ্ম গ্ৰহণ কৰাৰ পূৰ্বৰ অৱস্থাটোৰ প্ৰসংগত দ্বিজেন্দ্ৰ নাথ ভকতে এনেদৰে কয় যে- ইন্দোমঙ্গোলয়ড লোকসকলে সেই সময়ত তিব্বত বৰ্মী ভাষা কৈছিল, গৰু আৰু ব্ৰাহ্মণক তেওঁলোকে সন্মান কৰা নাছিল, আৰু তেওঁলোকৰ ভাষা আৰ্যভাষী হিন্দুসকলৰ বাবে অৰ্থহীন আছিল।"*[৯]

*"নৃগোষ্ঠীয়ভাৱে কোচ-ৰাজবংশী সকল মংগোলীয় বংশোদ্ভৱ এটা জনগোষ্ঠী। অসমৰ কোচসকলৰ এটা ঠাল আদি কোচৰ বংশধৰ হ'লেও অন্যান্য মংগোলীয় জনগোষ্ঠীয় লোকৰ সংমিশ্ৰণত তেওঁলোকে এটা সুকীয়া পৰিচয় গ্ৰহণ কৰিছে। আনহাতে, কোচ-ৰাজবংশীসকলে এক দীঘলীয়া ঐতিহাসিক পৰিক্ৰমাৰে আহি হিন্দু ধৰ্ম গ্ৰহণ আৰু অসমীয়া ভাষাক অৱলম্বন হিচাপে লৈ এক নিজস্ব সমাজ আৰু ভাষা-সংস্কৃতি গঢ়ি তুলিছে। সেয়া হ'লেও কিন্তু নৃগোষ্ঠীয় বিচাৰত অসমৰ মংগোলীয় বড়োমূলীয় অন্যান্য জনজাতিৰ সৈতে কোচ-ৰাজবংশীসকলৰ নিকট সম্পৰ্ক আছে। এই সন্দৰ্ভত ৰেভাৰেণ্ড ছিডনী এণ্ডেলে কৈছে যে বড়ো, ৰাভা, মেচ, ধিমাল, কোচ, ছলানিমিয়া, মহলীয়া / ফুলগুৰীয়া / শৰণীয়া, ডিমাচা, হোজাই, লালুং, গাৰো, হোজাই, তিপ্ৰা (পাহাৰীয়া) আদি হৈছে বৃহৎ কছাৰী (বড়ো) জাতিৰ অন্তৰ্গত একো একো জনগোষ্ঠী।"*[১০]

*হান্টাৰৰ মতে 'কোচ চৰ্দাৰ' হাজোই পঞ্চদশ শতাব্দী মাজভাগত কামৰূপত এখন ৰাজ্য প্ৰতিষ্ঠা কৰে। তেওঁৰ পুত্ৰ বিশ্বসিংহ ৰাজকৰ্মচাৰী আৰু প্ৰজাসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰি কোচ নাম ত্যাগ কৰি ৰাজবংশী হিচাপে পৰিচিত হয়।"*[১১]

কোচ-ৰাজবংশী জনগোষ্ঠীৰ বিশিষ্ট সাহিত্যিক দ্বিজেন্দ্ৰ নাথ ভকতে লোকপিয়লত পোৱা তথ্য উল্লেখ কৰি কয় যে *"১৮৭২, ১৮৮১ আৰু ১৮৯১ খৃঃৰ লোকপিয়ল মতে পশ্চিমবংগত কোচ-ৰাজবংশী আৰু পলিয়া সকলৰ মূল কোচ বুলিয়ে ধৰা হয়। ও, ডোনেলৰ ১৮৯১ খৃঃৰ লোকপিয়লত দাৰ্জিলিং জিলাত ৩৩, ৪৭২ জন কোচ, জলপাইগুৰিত- ২৯৭, ৮৫২ জন, কোচবিহাৰত ৩৫২, ৪০৯ জন, দিনাজপুৰত ৪৮১, ৫৯১ জন আৰু ৰংপুৰত ৫২২, ৬০৪ জন কোচ বুলি উল্লেখ আছে। ১৮৯১ খৃঃৰ পিছত কোচৰ সংখ্যা কমি আহে আৰু ইয়াৰ শাখা উপশাখা বোৰতো হ্ৰস্বতা লক্ষ্য কৰা যায়। ১৮৯১ খৃঃৰ লোকপিয়লত পোনপ্ৰথমে 'ভঙ্গ ক্ষত্ৰিয়' বুলি উল্লেখ পোৱা যায় আৰু সেই বছৰৰ গণনাতে জলপাইগুৰিত ৰাজবংশীৰ সংখ্যা অধিক কম পৰিলক্ষিত হয়। ১৯০১ খৃষ্টাব্দত কোচৰ উপশাখাবোৰ ৰাজবংশী বুলি নথিভুক্ত হয়। ১৯২১ খৃঃৰ পিয়লত বহুত ৰাজবংশী লোকক ক্ষত্ৰিয় হিচাপে দেখুওৱা হয়। ১৯১১ আৰু ১৯২১ খৃঃৰ পিয়লত পলিয়া সকলকো ৰাজবংশীৰ তালিকাভুক্ত কৰা হয়। ১৯২১ খৃঃত বহুত ৰাজবংশী লোকক ক্ষত্ৰিয় হিচাপে নথিভুক্ত কৰা হৈছিল। ১৯২১ চনৰ লোকপিয়লত থোম্পছনে উল্লেখ কৰিছে যে- ১৯১১ খৃঃৰ গণনাত কোচসকলক ৰাজবংশী জাতি হিচাপে ধৰা হৈছিল। কিন্তু ১৯২১ চনৰ পৰিসংখ্যাত কোচ আৰু ৰাজবংশীসকলক সম্পূৰ্ণ পৃথকভাৱে দেখুওৱা হয়। ১৯০১ চনত উত্তৰবংগত বহুত কোচক ৰাজবংশী বুলি অভিহিত কৰা হৈছিল।"*[১২]

*"গৱেষক দীপক কুমাৰ ৰায়ে আন আন জনগোষ্ঠীৰ পৰা ৰাজবংশী আত্ততাত সোমোৱাৰ ভিত্তি কৰিয়ে ৰাজবংশী সমাজক মদাসী (মদাহী) ৰাজবংশী, হাজং ৰাজবংশী, জলদা বা জলধা ৰাজবংশী, মোৰংগীয়া ৰাজবংশী, পানিকোচ বা বাবুকোচ আদি কৰি সৰ্বমুঠ এঘাৰটা পৰিচয়ত ভাগ কৰিছে। তেওঁ উল্লেখ কৰিছে যে পঞ্চানন বাৰ্মাৰ ক্ষত্ৰিয়কৰণ আন্দোলনৰ সময়ত পৈতা (লগুণ) লৈ মদাহীসকলে ৰাজবংশী সমাজত সোমাই পৰিছিল। অসম আৰু উত্তৰ বংগৰ অনেক জলধা জনগোষ্ঠীৰ লোকে একেই প্ৰক্ৰিয়াৰে ৰাজবংশী পৰিচয় গ্ৰহণ কৰিছে বুলিও তেওঁ উল্লেখ কৰিছে।"*[১৩]

*"অসমৰ কোচ-ৰাজবংশীসকলে বড়োমূলীয় বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণৰ ফলত জনজাতিৰ চৰিত্ৰ বহনৰ বিপৰীতে উত্তৰ বংগৰ কোচসকলে কিন্তু নিজকে ৰাজবংশী বুলি প্ৰতীয়মান কৰাৰ এটা প্ৰচেষ্টাহে অব্যাহত ৰাখি আহিছে। সমাজৰ উচ্চ পৰ্যায়লৈ উত্তৰণৰ প্ৰচেষ্টা হিচাপে তেওঁলোকে ১৮৭২ চনৰ লোকপিয়লত নিজকে কোচৰ পৰা হোৱা ৰাজবংশী বুলি পৰিচয় দিছিল। ১৮৯১ চনৰ লোকপিয়লৰ তথ্যত তেওঁলোকে নিজৰ নিজৰ পৰিচয় লিপিবদ্ধ কৰিছিল ৰাজবংশীৰ পৰা হোৱা ব্ৰাত্য ক্ষত্ৰিয় (Bratya Kshatriya) বুলি। ১৯১১ আৰু ১৯২১ চনৰ লোকপিয়লত ক্ষত্ৰিয় ৰাজবংশী আৰু ১৯৩১ চনৰ লোকপিয়লত তেওঁলোকে কেৱল ক্ষত্ৰিয় বুলি পৰিচয় দিছিল। সমাজৰ উচ্চ বৰ্ণৰ লোকসকলৰ অস্পৃশ্যতাৰ বলি হৈ অহা উত্তৰবংগৰ কোচ ৰাজবংশীসকলে সামাজিক জীৱনত ভুগি অহা দুৰ্দশাৰ পৰা মুক্তি পোৱাৰ তাড়নাতে এনেদৰে স্তৰে স্তৰে গৈ ক্ষত্ৰিয় হোৱাৰ প্ৰচেষ্টা চলাইছিল। তাৰ বাবে ১৯১২-১৩ চনমানৰ পৰা উত্তৰবংগত এক ক্ষত্ৰিয় সামাজিক আন্দোলনো সংঘটিত হৈছিল। এই ক্ষত্ৰিয় আন্দোলনৰ গুৰি ধৰিছিল কোচ-ৰাজবংশী ক্ষত্ৰিয় সংস্কাৰ সমিতি নামৰ এটা সংগঠনে, যাৰ নেতৃত্বত আছিল পশ্চিমবংগৰ দিনহাটাৰ পঞ্চানন বাৰ্মা নামৰ এজন লোক। ৰংপুৰ আদালতৰ অধিবক্তা পঞ্চানন বাৰ্মাই বৰ্ণহিন্দু সহকৰ্মীৰ দ্বাৰা অপমানিত হৈয়ে কোচ-ৰাজবংশীসকলক উচ্চ জাতত তোলাৰ বাবে উদ্যোগ গ্ৰহণ কৰিছিল। আদালতৰ চৌহদত এক ঘটনাক্ৰমে সহকৰ্মীৰ পৰা পোৱা অপমানত ভীষণ মনোকষ্ট পোৱা পঞ্চানন বাৰ্মাই নিজৰ জাতিটোক উদ্ধাৰ কৰাৰ প্ৰয়োজনমতে ১৯১৩ চনৰ ২৭ মাৰ্চ (মাঘী পূৰ্ণিমা)ত কৰতোৱা নদীৰ পাৰত এটা যজ্ঞৰ আয়োজন কৰিছিল। প্ৰায় দুই লাখ কোচ-ৰাজবংশী লোকৰ উপস্থিতিত অনুষ্ঠিত এই যজ্ঞত নিজেই পুৰোহিত হৈ পঞ্চানন বাৰ্মাই ব্ৰাহ্মণ্যবাদী আচাৰ-আনুষ্ঠানিকতাৰ মাজেৰে কোচ-ৰাজবংশী লোকসকলক লগুণ দিছিল। পঞ্চানন বাৰ্মাৰ এই যজ্ঞৰ অনুষ্ঠানত অবিভক্ত গোৱালপাৰা জিলাৰো বহুসংখ্যক কোচ-ৰাজবংশী লোকে অংশগ্ৰহণ কৰিছিল আৰু তেওঁলোকে লগুণ ধাৰণ কৰি উচ্চ জাতত উঠাৰ অনুশীলন কৰিছিল।"*[১৪]

*"কোচ আৰু ৰাজবংশীৰ একাত্ম পৰিচয়ৰ প্ৰসঙ্গত বিভিন্ন পণ্ডিত, বুদ্ধিজীৱীসকলে বিভিন্ন মত আগবঢ়াইছে। আনওয়াৰ ইছলাম ৰাজু নামৰ বাংলাদেশৰ এগৰাকী বুদ্ধিজীৱীয়ে মন্তব্য কৰিছে যে ঐতিহাসিক আৰু নৃতাত্ত্বিক বিশ্লেষণৰ পৰা জনা যায় এই ৰাজবংশীসকল পূৰ্বৰ কামৰূপ ৰাজ্যৰ*

*কোচ জাতিৰ অংশ। ষোল্ল শতিকাৰ আৰম্ভণিৰ ফালে কোচসকলৰ এটা অংশই বিশ্বসিংহৰ নেতৃত্বত হিন্দু ধৰ্ম গ্ৰহণ কৰে আৰু কোচ ৰাজবংশৰ উত্তৰাধিকাৰী হিচাপে নিজকে ৰাজবংশী বুলি আখ্যায়িত কৰি স্বতন্ত্ৰতা ঘোষণা কৰে। কোচসকলৰ যি অংশই হিন্দু ধৰ্ম গ্ৰহণ কৰা নাছিল তেওঁলোকে ক্ৰমশঃ ইছলাম ধৰ্ম গ্ৰহণ কৰি কেওট ৰাজবংশী বুলি পৰিচিত হয়। আন এগৰাকী বাংলাদেশী বুদ্ধিজীৱী ড° ওৱাকিল আহমদৰ মতে ৰাজবংশীসকলো কোচসকলৰ দৰে মাতৃতান্ত্ৰিক আছিল। হিন্দু আৰু ইছলাম ধৰ্ম গ্ৰহণৰ পিচত উভয় শ্ৰেণীৰ মানুহৰে সমাজ কাঠামোত মৌলিক পৰিৱৰ্তন সাধিত হয়। মাতৃতান্দ্ৰিক সমাজৰ পৰা পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত প্ৰৱেশ কৰে। সমাজ কাঠামো আৰু ধৰ্মীয় চেতনাৰ এই পৰিৱৰ্তনে সংস্কৃতিৰ জগতৰো পৰিৱৰ্তন সাধন কৰে।"*[১৫]

*. "বৰ্তমান নেপাল, ভাৰত, বাংলাদেশ আৰু ভূটানৰ ভূমিপুত্ৰ ৰূপে পৰিচিত আজিৰ তাৰিখত যিটো জনগোষ্ঠী বা সামাজিক গোটক কোচ-ৰাজবংশী বুলি কওঁ, এওঁলোক ঠায়ে ঠায়ে 'কোচ' (কুচ) আৰু ঠায়ে ঠায়ে 'ৰাজবংশী' এই দুই ভিন্ন নামেৰে পৰিচিত। ঘাইকৈ য'ত য'ত কোচ ৰাজতন্ত্ৰ প্ৰতিষ্ঠা হৈছিল তাত এওঁলোক ৰাজবংশী ৰূপে পৰিচিত। যেনে কোচবিহাৰ, বিজনী, বেলতলা, দৰং, কাচাৰ আদি ঠাইত ৰাজবংশী শব্দটোৰ সমাদৰ বেছি। নেপালত কোচ-ৰাজবংশীসকলে নিজকে ৰাজবংশী বুলি পৰিচয় দিয়ে যদিও কোচ শব্দটোক আদি পৰিচয় বুলি মানে।"*[১৬]

*"B.H. Hodgson যে তেওঁৰ Journal of Asiatic Society of Bengal (1849) নামৰ গ্ৰন্থত কোচ বংশৰ চৰ্দাৰ হাজোৰ নাতি বিশ্বসিংহই হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ ফলত ৰাজবংশী বুলি পৰিচিত হ'ল। তেওঁৰ মতে কোচ আৰু কুবাচ সমাৰ্থক শব্দ। তেওঁ অসমৰ কোচসকলক কামখালি, মাদাই আৰু কলিতা এই তিনি শ্ৰেণীত ভাগ কৰিছে। আনহাতে ৰংপুৰৰ কোচ সকলক কোচ আৰু ৰাজবংশী এই দুই শ্ৰেণীত বিভক্ত কৰিছে। আন কথাত ক'বলৈ গ'লে তেওঁ মূলৰ দৃষ্টিকোণৰ পৰা বৰ্ণনা কৰি কৈছে যে কোচ আৰু ৰাজবংশী একেটা সঁচ বা একেটা বংশৰ।"*[১৭]

অসমৰ অন্যান্য জিলাৰ কোচ-ৰাজবংশীসকলৰ লগত গোৱালপাৰা (অবিভক্ত)ৰ কোচ ৰাজবংশীসকলৰ নৃতাত্ত্বিক কোনো পাৰ্থক্য নাই যদিও সাংস্কৃতিকভাৱে কিছু পাৰ্থক্য পৰিলক্ষিত হয়। গোৱালপাৰাক বাদ দি অসমৰ অন্যান্য জিলাৰ কোচ-ৰাজবংশীসকলে বৃহৎ অসমীয়া ভাষা

সংস্কৃতিক গ্ৰহণ কৰিছে। সেইদৰে উত্তৰবঙ্গক বাদ দি পশ্চিমবংগৰ অন্যান্য জিলাৰ কোচ-ৰাজবংশীসকল বৃহৎ বাংলা ভাষা সংস্কৃতিৰ অন্তৰ্ভুক্ত। গোৱালপাৰা আৰু উত্তৰবঙ্গৰ কোচ ৰাজবংশীসকলৰ স্বতন্ত্ৰ ভাষা সংস্কৃতি পোৱা যায়। জাতি হিচাপে তেওঁলোকে ‘কোচ ৰাজবংশী ক্ষত্ৰিয়’ বুলি পৰিচয় দিলেও ভাষা সংস্কৃতিৰ ক্ষেত্ৰত তেওঁলোক ‘ৰাজবংশী’ বুলিহে পৰিচিত। সেইদৰে নেপালৰ ঝাপা-মোৰং জিলা আৰু বিহাৰৰ প্ৰাচীন পূৰ্ণিয়া জিলাৰ ৰাজবংশীসকলে জাতি হিচাপে ‘ৰাজবংশী-ক্ষত্ৰিয়’ বুলি ক’লেও ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত তেওঁলোক ৰাজবংশী বুলিহে কয়।

এনেদৰে ‘কোচ’, ‘ৰাজবংশী’ আৰু কোচ-ৰাজবংশী সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন মত আগবঢ়াইছে। বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতবোৰৰ মাজত কিছু অমিল থাকিলেও তাৰ মাজত মিলো পৰিলক্ষিত হয়। প্ৰাচীন গ্ৰন্থসমূহত উল্লেখিত কোচ, কুৱাচ, কিৰাট, ম্লেচ্ছ আদি শব্দসমূহৰ ওপৰত ভিত্তি কৰি কোচৰ আদি পৰিচয়ৰ বিষয়ে আগবঢ়োৱা সৰহসংখ্যক পণ্ডিতৰ বিশ্লেষণৰ পৰা এটা কথা ঠাৰৰ কৰিব পাৰি যে কোচ, ৰাজবংশী তথা বৰ্তমানৰ কোচ-ৰাজবংশীসকল অসমৰ প্ৰাচীন জনগোষ্ঠী যাৰ আদি পৰিচয় কোচ আৰু নৃগোষ্ঠীয়ভাৱে এওঁলোক মংগোলীয়। পৰৱৰ্তী সময়ত এই জনগোষ্ঠীৰে এটা চামে নিজৰ সামাজিক পৰিচয়ক আওকাণ কৰি অকল ঐতিহাসিক পৰিচয়কে সমল হিচাপে লৈ কোচ ৰজাৰ বংশ সূত্ৰে নিজকে ৰাজবংশী নামেৰে পৰিচয় দিবলৈ লয়।

আনহাতে সমাজ ব্যৱস্থাত থকা সমমৰ্যাদা বা বৰ্ণবাদৰ প্ৰভাৱত উক্ত গোষ্ঠীৰে কিছু সংখ্যক লোকে হিন্দুধৰ্ম গ্ৰহণ কৰে। কিন্তু হিন্দুকৃত হোৱাৰ পিছতো আকাংক্ষিত সমমৰ্যাদা বিচাৰি নোপোৱাত এওঁলোকৰে এটা শ্ৰেণীয়ে যজ্ঞ, উপনয়ন বা বৈদিক প্ৰথাৰ আশ্ৰয় লৈ প্ৰথমতে ক্ষত্ৰিয় ৰাজবংশী পিছলৈ ক্ষত্ৰিয় হিচাপে উচ্চ কূলত উঠাৰ অনুশীলন অব্যাহত ৰাখিছে।

বৰ্তমান সময়ত এওঁলোকক পশ্চিমবংগত ‘অনুসূচীত জাতি’ (Schedule Caste) অসমত ‘অন্যান্য পিছপৰা শ্ৰেণী (Other Backward Class) আৰু অতি অন্যান্য পিছপৰা শ্ৰেণী (More other Backward Class) বুলিহে ধৰা হৈছে।

সম্প্ৰতি, সামাজিক ৰাজনৈতিক প্ৰসঙ্গত উক্ত জনগোষ্ঠীটোৰ জাতীয় চিন্তা, চেতনাৰ বৈসাদৃশ্যতাৰ উদ্ভৱক উপলব্ধি কৰি জনগোষ্ঠীটোৰ চিন্তাশীল ব্যক্তি কিছুমানে নিজৰ মাজত পৰিচয়ৰ বিভাজন ঘটা কোচ, ৰাজবংশী, ক্ষত্ৰিয় ৰাজবংশী, ক্ষত্ৰিয় আদি সকলোকে এক কৰি একে প্ৰেক্ষাপটৰ পৰা জাতিক পুনৰুদ্ধাৰৰ কথা চিন্তা কৰি কোচ-ৰাজবংশী হিচাপে জাতিটোক আগবঢ়াই লৈ যোৱাৰ কথা ভাবি আহিছে আৰু সেই উদ্দেশ্যে কোচ-ৰাজবংশী জাতীয় সংগঠনো প্ৰতিষ্ঠা হৈছে। সাম্প্ৰতিক সময়ত এই জনগোষ্ঠীটোৱে অসমত কোচ-ৰাজবংশী নামেৰে নিজৰ পৰিচয় বহন কৰি আছে।

## ১.০২ কোচ-ৰাজবংশীসকলৰ সাংস্কৃতিক পৰিচয় ঃ

কোচ-ৰাজবংশী জনগোষ্ঠী সাংস্কৃতিক দিশত অত্যন্ত চহকী। কোচ-ৰাজবংশী লোকসকলৰ সাংস্কৃতিক জীৱনৰ বিষয়ে অনুধাৱন কৰিবলৈ হ'লে যুগ যুগ ধৰি তেওঁলোকৰ মাজত চলি অহা উৎসৱ-পাৰ্বণ, লোকবিশ্বাস, লোকসাহিত্য, সাজপোছাক, আ-অলংকাৰ, খাদ্যসম্ভাৰ ইত্যাদি সম্পৰ্কে আলোচনা কৰা অতীব প্ৰয়োজন। এই দিশবোৰৰ যথাযথ আলোচনা কৰিলেহে উক্ত জনগোষ্ঠীটোৰ সাংস্কৃতিক দিশটোৰ বিষয়ে যথোচিত আভাস পোৱা যাব।

### ১.০২.১ উৎসৱ-পাৰ্বণ ঃ

কৃষিমুখী গ্ৰাম্যজীৱনৰ সামাজিক আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, পূজা-পাৰ্বণ, গীত-পদ, নৃত্য আদি উপাদান সমূহক মাধ্যমৰূপে লৈ জনসাধাৰণৰ মাজত যিবিলাক অনুষ্ঠান পূৰ্বৰেপৰা পৰম্পৰাগতভাৱে অনুষ্ঠিত হৈ আহিছে সেইবিলাকেই হৈছে উৎসৱ-অনুষ্ঠান। মানুহে কঠোৰ পৰিশ্ৰমৰ যোগেদি ধাননি পথাৰখনক শস্য-শ্যমলা কৰাৰ পৰা লাভ কৰা আনন্দ আৰু উৎসাহত উৎসৱ অনুষ্ঠান পাতে। লীলা গগৈয়ে এই সম্পৰ্কত তেওঁৰ 'অসমৰ সংস্কৃতি'-শীৰ্ষক গ্ৰন্থখনত এনেদৰে কৈছে-

"*উৎসৱৰ মূল উৎস আনন্দ। বহাগত পোৱাৰ প্ৰয়াস, আশা, আনন্দ, মাঘত পোৱাৰ, পাই সামৰাৰ আনন্দ। এই আনন্দ প্ৰকৃতিৰ আনন্দ, জীৱনক উপলব্ধি কৰাৰ আনন্দ, উপভোগ কৰাৰ আনন্দ। এই আনন্দই কৃষিজীৱী অসমীয়াৰ অন্তৰ স্পৰ্শ কৰি অনুপ্ৰেৰণাৰ জোৱাৰ আনে।*"[১৮]

কোচ-ৰাজবংশী লোকসকল মূলত কৃষিৰ ওপৰত নিৰ্ভৰ কৰিয়ে জীৱন নিৰ্বাহ কৰে। সেয়ে কৃষিৰ মংগলৰ হেতু বছৰৰ বিভিন্ন সময়ত বিভিন্ন উৎসৱ-অনুষ্ঠান উদ্‌যাপন কৰে। কৃষিৰ উপৰিও দিন-মাহ-নক্ষত্ৰ অনুযায়ী আৰু জীৱন বৃত্তৰ সৈতে অৰ্থ্যাৎ মানুহৰ জন্ম, বিবাহ, মৃত্যুৰ সৈতে জড়িত কেতবোৰ আচাৰ অনুষ্ঠান তথা উৎসৱ-অনুষ্ঠান আৰু পূজা-পাতল আদিৰ কোচ-ৰাজবংশী লোকসমাজত প্ৰচলন হৈ আহিছে।

অতীতৰে পৰা কোচ-ৰাজবংশী লোকসমাজত পালন কৰা উৎসৱ অনুষ্ঠানসমূহৰ ভিতৰত এক অন্যতম উৎসৱ হ'ল বিষুৱা উৎসৱ। কোচ-ৰাজবংশী লোকসকলে চ'ত মাহৰ সংক্ৰান্তিৰ দিনাৰপৰা ব'হাগ মাহৰ ছয় দিন পৰ্যন্ত বিষুৱা উৎসৱ পালন কৰে। এই উৎসৱ সাত দিন ধৰি পালন কৰা হয় বাবে ইয়াক 'সাত বিষুৱা' বুলিও কোৱা হয়। 'সাতবিষুৱাৰ' প্ৰতিটো দিনক বেলেগ বেলেগ নামেৰে নামকৰণ কৰা হয়। এইবোৰ হ'ল-

১) গৰু বিষুৱা, ২) মানষি বিষুৱা, ৩) গুষ্টি বিষুৱা, ৪) সাতশাকী বিষুৱা, ৫) বাহো বিষুৱা,

৬) শিকাৰ বিষুৱা, ৭) দেও বিষুৱা,

চ'ত মাহৰ সংক্ৰান্তিৰ দিনা গৰু বিষুৱা বুলি কোৱা হয়। উক্ত দিনা কোচ-ৰাজবংশী লোকসকলে দোকমোকালিতে উঠি বাহীমুখে হাবি বননিলৈ বনৌষধি তুলিবলৈ যায়। যেনে-বিষ ঢেঁকীয়াৰ পাত, বাস্‌কা তিতা, (বাহক তিতা), দীঘলতিৰ পাত, মাখিয়তীৰ পাত, 'ভেটোমালী', 'গুদ্দেৰ পাখা', 'কাতিৰিৰ ফুল', 'কানহিছাৰ পাত' (দোৰোণ ফুলৰ পাত) বেতৰ পাত, 'কেঁৰাৰ কাটা' মহানিমৰ পাত, 'বিষকুতুলীৰ পাত' (বিহলঙনি) আদি। এই বনৌষধিখিনি গোটেহবোৰ একেলগ কৰি সৰু সৰু মুঠা বা থোপা বান্ধে। এই বনৌষধিমূলক মুঠাবোৰক 'আপ-ঝাপ' অথবা 'বিষমাও' বোলা হয়। এনে আপ-ঝাপবোৰ ঘৰৰ দুৱাৰমুখত, বাৰান্দাত, গোহালীত, ভঁৰালত, তাঁতশালত, মন্দিৰত, কুঁৱা, দমকল আদিত বান্ধি দিয়ে। এনে বিষমাও বা আপ-ঝপৰ পৰা নিৰ্গত হোৱা গোন্ধই বসন্ত ঋতুৰ প্ৰভাৱত সৃষ্টি হোৱা বিভিন্ন বেমাৰ-আজাৰৰ পৰা মানুহক ৰক্ষা কৰে বুলি কোচ-ৰাজবংশী লোকসমাজত লোকবিশ্বাসৰ প্ৰচলন আছে। ইয়াৰ উপৰিও এনে কৰিলে গৃহস্থই ঘৰ-বাৰী আদি ধুমুহা, বতাহ-বৰষুণ, শিলাবৃষ্টি আদিৰ পৰাও ৰক্ষা পৰে বুলি লোকবিশ্বাসৰ প্ৰচলন আছে।

চ'তৰ সংক্ৰান্তিৰ দিনা 'তিতা-কাসা' খোৱা হয়। ইয়াৰ বাবে কেঁচা হালধি, বাহক তিতাৰ পাত, নিম তিতাৰ পাত, দোৰোণ ফুলৰ পাত আদি পিহি লৈ ৰস উলিয়াই 'তিতা-কাসা' খোৱা পৰ্বটো পালন কৰা হয়। এনেদৰে 'তিতা-কাসা' খালে সাপৰ দংশনৰ পৰা হাত সাৰিব পাৰি বুলি লোকবিশ্বাসৰ প্ৰচলন আছে।

গৰু বিষুৱাৰ দিনা পানীলাও, বেঙেনা, কেঁচা হালধি আদি সামগ্ৰী বাঁহৰ তেৰালত গুঠি গৰুক মালা পিন্ধোৱা হয়। উক্ত দিনা গৰুক এছাৰিৰে নোকোবাই দীঘলতিৰ পাতেৰে কোবাই কোবাই নদী, বিল, পুখুৰী আদিত গা ধুৱাবলৈ লৈ যায়। এনেদৰে গৰু বিষুৱা পালন কৰা হয়।

## মানষি বিষুৱা ঃ

ব'হাগ মাহৰ প্ৰথম দিনটো কোচ-ৰাজবংশী লোকসকলে মানষি বিষুৱা হিচাপে পালন কৰে। উক্ত দিনা গৃহস্থৰ সকলোৱে পুৱাতে উঠি মাহ-হালধি সানি গা ধুই নতুন কাপোৰ পিন্ধে। সৰুৱে ডাঙৰক 'আংছা', 'গামছা' আদি দি সেৱা জনায় আৰু ডাঙৰে সৰুক মৰম-চেনেহ যাচে।

## গুষ্টি বিষুৱা ঃ

ব'হাগৰ দ্বিতীয় দিনটোক 'গুষ্টি বিষুৱা' বুলি কোৱা হয়। সেইদিনা ঘৰৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱীসকলক ঘৰত এসাঁজ ভাত খাবলৈ আমন্ত্ৰণ জনোৱা হয়।

## সাতশাকী বিষুৱা ঃ

কোচ-ৰাজবংশী লোকসকলে ব'হাগৰ তৃতীয় দিনটোক সাতশাকী বিষুৱা হিচাপে পালন কৰে। উক্ত দিনা গৃহস্থৰ তিৰোতাসকলে ৰাতিপুৱাই বাৰীৰপৰা শাক বিচাৰি আনে আৰু সাত প্ৰকাৰৰ শাক একেলগে ৰান্ধি খায়। সাতশাকী বিষুৱাৰ দিনা কোচ-ৰাজবংশী লোকসকলে কলৰ পচলা খোৱাৰ এক পৰম্পৰাও মানি চলে।

## বাহো বিষুৱা ঃ

ব'হাগ মাহৰ চতুৰ্থ দিনটোক বাহো বিষুৱা বুলি কয়। সেইদিনা গাঁওৰ সকলো ডেকা-ডেকেৰী বুঢ়া-বুঢ়ী, ল'ৰা ছোৱালীয়ে মিলি সমূহীয়াভাৱে নদী, বিল, জলাশয় আদিত মাছ মাৰে আৰু সকলোৱে তৃপ্তিৰে এসাঁজ খায়।

## শিকাৰ বিযুৱা ঃ

কোচ-ৰাজবংশী লোকসকলে ব'হাগৰ পঞ্চম দিনা 'শিকাৰ বিযুৱা' হিচাপে পালন কৰে। উক্ত দিনা গাঁওৰ ডেকা-বুঢ়া মিলি ওচৰৰ হাবিত হৰিণা, শহাপহু চৰাই আদি চিকাৰ কৰি সকলোৱে ভোজভাত খায়।

## দেও বিযুৱা ঃ

ব'হাগ মাহৰ ষষ্ঠ দিনা হৈছে দেও বিযুৱা। সেইদিনা ঘৰৰ পূজনীয় দেৱ-দেৱীসকলক পূজা- অৰ্চনা কৰে, নাম-কীৰ্ত্তন কৰে। দেও বিযুৱাৰ দিনা তৰা গছ (পুন্দি / কুন্দি) জঙা কচু, আমৰ ফল, কচুৰ পাত, ঢেঁকীয়া, 'শুকাতি' আৰু 'বেতৰ গাজা' এই সাত প্ৰকাৰৰ দ্ৰব্য খোৱাৰ নিয়ম। ইয়াক সাত শুকাতি বুলি কোৱা হয়। কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত কোৱা হয়। কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত লোকবিশ্বাস মতে, এই 'সাত শুকাতি' খোৱাজনৰ দেহত বিষ বেদনাৰ উপশম ঘটে। এনেদৰে কোচ-ৰাজবংশী লোকসকলে 'সাত বিযুৱা' পালন কৰে।

বিযুৱাৰ লগত সংগতি ৰাখি যিবোৰ তৰু-লতা, ফল-ফুল পৰম্পৰাগত ৰীতি মতে ব্যৱহাৰ কৰা হয়; তেনে তৰু-লতা, ফল-ফুলৰ ঔষধি গুণ যথেষ্ট। আধুনিক চিকিৎসা বিজ্ঞানেও লোকচিকিৎসাৰ লগত জড়িত ঔষধি গুণযুক্ত তৰু-লতা, ফল-ফুলৰ ওপৰত অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হয়। গতিকে বিযুৱাৰ লোকাচাৰৰ মাজত বৈজ্ঞানিক গুণগত তাৎপৰ্য যথেষ্ট আছে।

কোচ-ৰাজবংশীসকলৰ কৃষিকৰ্মৰ লগত জড়িত এক অন্যতম অনুষ্ঠান হ'ল '**কাতি গাছা**'। ব'হাগ মাহৰ পৰা ভাদ মাহলৈকে কোচ-ৰাজবংশীসকলে শালি খেতি কৰে। আহিন আৰু কাতি মাহত খেতি পথাৰ লহপহকৈ বাঢ়ি শস্য শ্যামলা হৈ পৰে। তেতিয়া সেই খেতিডৰাত কীট-পতংগ, পোক-পৰুৱা, বিভিন্ন ৰোগ আদিয়ে যাতে একো অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে আহিন মাহৰ সংক্ৰান্তিৰ দিনা 'কাতিগাছা' পালন কৰা হয়। কাতিগাছাৰ দিনা ঔটেঙাৰ খলপত চাকি জলাই পথাৰত গছা দিয়ে আৰু চোতালত, ঘৰৰ পদূলিমুখত, ভৰালৰ দুৱাৰমুখত, কুঁৱাৰ পাৰত, তামোলৰবাৰীত, 'দেওশালী' আদি সকলো স্থানতে চাকি জ্বলোৱা নিয়ম পালন কৰে।

কোচ-ৰাজবংশী লোকসকলে পালন কৰা আন এক অনুষ্ঠান হৈছে '**আগ-আনা**'। 'আগ আনা' ঘৰলৈ কৃষি চপোৱাৰ তথা লখিমী আদৰাৰ আৰম্ভণি আৰু মাংগলিক প্ৰথা। আঘোণ মাহৰ

আৰম্ভণিৰ পৰা শুভবাৰ যেনে- সোমবাৰ, বুধবাৰ, বৃহস্পতিবাৰ, শুক্ৰবাৰ আদি চাই ঘৰলৈ আগ আনা হয়। অৱশ্যে একাদশী, অমাৱস্যা, মংগলবাৰ, শনিবাৰ আদিত আগ আনা নহয়।

কোচ-ৰাজবংশীসকলৰ উৎসৱ অনুষ্ঠানসমূহৰ ভিতৰত পুষুণা /দোমাসী, অ'ৰি মাগা, নয়া খোৱা (ন খোৱা), দৌল উৎসৱ, অম্বুবাচী, জন্মষ্টমী, কাদং ভাওনা উল্লেখযোগ্য। ইয়াৰ উপৰিও কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত অন্যান্য লোকউৎসৱসমূহ হ'ল- বাঁশপূজা, হুদুমপূজা, মদন কামদেৱ পূজা, গাৰ্জা পূজা, সোণাৰায় পূজা, কাতিকা পূজা, মাৰৈ পূজা / মনসা পূজা আদি। তদুপৰি, কোচ ৰাজবংশী লোকসমাজত জন্ম, বিবাহ, মৃত্যুৰ সৈতে আচাৰ-অনুষ্ঠান তথা উৎসৱ যেনে- নামকৰণ, অন্নপ্ৰাশন, চূড়াকৰণ, ধুৱানি (তোলনি বিয়া), বৰ বিয়া, আদ্যশ্ৰাদ্ধ, সপিশুন আদি বিভিন্ন ধৰণৰ আচাৰ-অনুষ্ঠান পতা দেখা যায়।

কোচ-ৰাজবংশীসকল যিহেতু সৰহভাগেই হিন্দু ধৰ্মাৱলম্বী সেয়ে তেওঁলোকৰ মাজত লক্ষী পূজা, দুৰ্গা পূজা, সত্যনাৰায়ণ পূজা, কালী পূজা, বিশ্বকৰ্মা পূজা, শিৱ পূজা, ৰাস পূজা আদিৰ প্ৰচলনো পৰিলক্ষিত হয়।

## ১.০২.২ লোকবিশ্বাস ঃ

লোকসমাজত পূৰ্বপুৰুষৰ অভিজ্ঞতাৰ ওপৰত আশ্ৰয় কৰি পৰম্পৰাগতভাৱে কেতবোৰ বিশ্বাস অতীতৰেপৰা প্ৰচলন হৈ আহিছে। নিৰ্মলপ্ৰভা বৰদলৈৰ মতে- "*এইবোৰ বিশ্বাস পৰম্পৰাগত; এইবোৰ বিশ্বাস বিচিত্ৰ, এইবোৰ বিশ্বাস দৈনন্দিন জীৱনৰ ধূলিৰে ধূসৰিত।*"[১৯]

জনসমাজত লোকবিশ্বাসৰ সৃষ্টিৰ কাৰণ ব্যাখ্যা কৰাটো জটিল কাম। বিশ্বাসপ্ৰৱণ সমাজত লোকবিশ্বাস পৰম্পৰাগতভাৱে চলি থাকে। এই সন্দৰ্ভত প্ৰফুল্লদত্ত গোস্বামীয়ে এনেদৰে মন্তব্য আগবঢ়াইছে।

"*It is difficult to explain the whys and wherefores of popular beliefs. Beliefs are traditionally handed down and in a society which does not appreciate the sceptical and critical attitude of mind, how they started or why they started is hardly remembered.*"[২০]

দৰাচলতে লোকবিশ্বাসে লোকজীৱনৰ মনস্তাত্ত্বিক দিশ, সামাজিক দিশৰ লগতে সাংস্কৃতিক দিশতো প্ৰভাৱ বিস্তাৰ কৰে। কোচ-ৰাজবংশী লোকসমাজত জন্ম, বিবাহ, মৃত্যু সম্বন্ধীয় লোকবিশ্বাস,

খাদ্য সম্বন্ধীয়, কৃষি সম্বন্ধীয় লোকবিশ্বাস, জীৱ-জন্তু সম্বন্ধীয় লোকবিশ্বাস আৰু বিবিধ লোকবিশ্বাস প্ৰচলিত হৈ আহিছে।

## (ক) জন্ম-বিবাহ-মৃত্যু সম্বন্ধীয় লোকবিশ্বাস ঃ

১) কোচ-ৰাজবংশী লোকসমাজত সন্তান গৰ্ভত থকা সময়ত মাক-দেউতাকে জীৱহত্যা কৰা নিষেধ, এনে কৰিলে গৰ্ভস্থিত সন্তানটিৰ ক্ষতি হয় বুলি লোকবিশ্বাসৰ প্ৰচলন আছে।

২) গৰ্ভৱতী মহিলাগৰাকীয়ে এনে সময়ত মিছা কথা ক'ব নালাগে, দুচিন্তা, বেয়া মনোভাৱৰ পৰা আঁতৰত থাকিব লাগে নহ'লে গৰ্ভস্থ সন্তানটিৰ চৰিত্ৰ গঠনত প্ৰভাৱ পৰে বুলি লোকবিশ্বাস আছে।

৩) সূৰ্য্যগ্ৰহণ আৰু চন্দ্ৰগ্ৰহণৰ সময়ছোৱাত গৰ্ভৱতী মহিলাগৰাকীয়ে যদি তামোল কাটে, নখ কাটে অথবা অন্যান্য কিবা কাটে তেন্তে গৰ্ভস্থিত সন্তানৰ অংগক্ষত হয় বুলি লোকবিশ্বাসৰ প্ৰচলন আছে।

৪) কোচ-ৰাজবংশী লোকসমাজত গৰ্ভৱতী মহিলাক যেনে-শনিবাৰ, মংগলবাৰ বাহিৰলৈ চুলি মেলি যোৱা, নদী অথবা পুখুৰীৰ পাৰ আদিলৈ যাবলৈ দিয়া নহয় কিয়নো অপশক্তিয়ে ক্ষতি সাধন কৰিব বুলি লোকবিশ্বাস আছে।

৫) সন্তান জন্মৰ পিছত 'পোৱাতী ঘৰ' বনাই দুৱাৰ মুখত তুঁহৰ জুই, বগৰী গছৰ কাঁইট আদি ৰখা হয়। এনেদৰে ৰাখিলে দেও, ভূত বা কোনো অপশক্তিয়ে একো অপকাৰ কৰিব নোৱাৰে বুলি লোকবিশ্বাস আছে।

৬) কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত বিশ্বাস মতে প্ৰথম ঋতুমতী হোৱা ছোৱালীক পুৰুষে দেখিলে তেনে পুৰুষৰ আয়ুস ক্ষয় হয়।

৭) কোচ-ৰাজবংশী জনসমাজত দৰাপক্ষই কইনা চাবলৈ যোৱাৰ পথত ধাননি পথাৰৰ পৰা কোনো লোকে ধানৰ ডাঙৰি বান্ধি লৈ যোৱা, কোনো লোকে মাছ মাৰি ঘূৰি অহা দেখিলে, যাত্ৰা পথত মৰাশ কঢ়িওৱা দেখিলে, হাতী দেখিলে যাত্ৰা শুভ বুলি বিশ্বাস কৰে।

৮) যাত্ৰাৰ সময়ত খালী কলহ, পথত দুৰ্ঘটনা দেখিলে বা দুৰ্ঘটনাত পতিত হলে, কোনোৱে মাটি খান্দি থকা দেখিলে, বাঁহ কটা দেখিলে, মেকুৰী আগফালেদি পাৰ হৈ গ'লে যাত্ৰা

অশুভ বুলি বিশ্বাস কৰে।

৯) ঘৰৰ চালত ‘ঘূগু’য়ে (কপৌ চৰাই) বৰকৈ কান্দি থাকিলে, ঘৰৰ ওচৰে- পাজৰে ফেঁচাই কান্দি থাকিলে, কাউৰীজাকে কা কা কৰি থাকিলে অশুভ চিন লগতে কাৰোবাৰ মৃত্যুৰ বতৰা কঢ়িয়াই আনে বুলি লোকবিশ্বাস আছে।

১০) সপোনত দাঁত ভঙা বা সৰা দেখিলে আপোন মানুহৰ মৃত্যু হয় বুলি কোচ-ৰাজবংশী লোকসমাজত লোকবিশ্বাস আছে।

১১) সপোনত আত্মীয়ৰ মৃত্যু হোৱা দেখিলে বেলেগৰ ঘৰৰ মানুহৰ মৃত্যু ঘটে আৰু বেলেগৰ ঘৰৰ মানুহৰ মৃত্যু হোৱা দেখিলে দেখোতাজনৰ আত্মীয় কোনোবাৰ মৃত্যু হয় বুলি লোকবিশ্বাস প্ৰচলন আছে।

## (খ) কৃষি সম্বন্ধীয় লোকবিশ্বাস ঃ

১) কোচ-ৰাজবংশী লোকসমাজত ‘আগ আনা’ পৰ্বটো পালন কৰোঁতে পথাৰৰ পৰা আগ আনোতে ঘৰলৈ ওভতাৰ সময়ত বাটত কাৰো লগত কথা পাতিব নালাগে। এনে কৰিলে লক্ষ্মীমাৰ খং উঠে আৰু পথাৰলৈ আকৌ উভতি যায় বুলি লোকবিশ্বাসৰ প্ৰচলন হৈ আহিছে।

২) কোচ-ৰাজবংশী জনসমাজত কোনো লোকৰ মৃত্যু হ’লে মৃতকৰ বংশ পৰিয়ালে আদ্যশ্ৰাদ্ধ শেষ নোহোৱা পৰ্যন্ত পথাৰত হাল-বোৱা, ধান কটা ইত্যাদি কামৰ পৰা বিৰত থাকে।

৩) কোচ-ৰাজবংশী লোকসকলে বৃহস্পতিবাৰে আন কোনো লোকৰ চাউল বা ধান দান নিদিয়ে; দিলে ঘৰৰ লক্ষ্মী যোৱা বুলি বিশ্বাস কৰে। ইয়াৰ উপৰি, মংগলবাৰ, বৃহস্পতিবাৰ আৰু শনিবাৰে গোহালিৰ গোবৰো বেলেগক নিদিয়ে, কিয়নো গোবৰো কৃষিকৰ্মৰ ক্ষেত্ৰত জড়িত।

## (গ) খেল-ধেমালি সম্বন্ধীয় লোকবিশ্বাস ঃ

১) কোচ-ৰাজবংশী লোকসমাজত খেল-ধেমালি সম্বৰ্কীয় লোকবিশ্বাসৰো প্ৰচলন দেখা যায়। কচু খেল খেলিলে বৰযুণ দিয়ে বুলি লোকবিশ্বাস আছে।

২)	কড়ি খেল খেলাৰ পাছত দোষে চুব বুলি কড়ি বা শিলবিলাক দাঁতেৰে কামুৰি খেলখন সামৰে।

৩)	কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত বিবাহ অনুষ্ঠানত নৱবিবাহিত দৰা-কইনাৰ মাজত কড়ি খেল বা আঙুঠি লুকোৱা খেল অনুষ্ঠিত কৰা দেখা যায়। এনে খেল খেলিলে দাম্পত্য জীৱন সুখকৰ হয় বুলি লোকবিশ্বাস আছে।

## ১.০২.৩ লোকসাহিত্য ঃ

কোচ-ৰাজবংশী লোকসমাজত পূৰ্বৰেপৰা বিবিধ লোকগীত, প্ৰবাদ-প্ৰবচন, সাঁথৰ-পটন্তৰ, সাধুকথা আদিৰ প্ৰচলন হৈ আহিছে আৰু লোকসাহিত্যৰ এইবোৰ উপাদান কোচ-ৰাজবংশী লোকসকলৰ পাণ্ডিত্য আৰু বুদ্ধিমত্তাৰ পৰিচায়ক।

লোকগীত লোকসাহিত্যৰ এক গুৰুত্বপূৰ্ণ অংগ। লোকগীতৰ ক্ষেত্ৰত কোচ ৰাজবংশীসকল অতি চহকী। আধ্যাত্মিকমূলক গীত, প্ৰেমমূলক গীত, আখ্যানমূলক গীত, পূজা-পাতল সংক্ৰান্তীয় বহুতো লোকগীত কোচ-ৰাজবংশী জনগোষ্ঠীৰ এক অলিখিত সাহিত্যৰ ইতিহাস হৈ আছে। হুদুম পূজাৰ গীত, বাঁশ পূজাৰ গীত, কাতিকা পূজাৰ গীত, মাৰৈ পূজাৰ গীত, অ'ৰি বা এউৰী মাগাৰ গীত, সোনাৰায় পূজাৰ গীত, গুপুনী নাম, নামাতি গান, চূড়াকৰণেৰ গীত, 'ধুৱানিৰ গীত' (তোলনি বিয়াৰ গীত), 'নিন্দালী গীত' বা 'ছাওৱা ভূৰকা গীত', আদি বিবিধ প্ৰকাৰৰ লোকগীত কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা প্ৰচলিত এনে লোকগীতৰ কিছু নিদৰ্শন আগবঢ়োৱা হ'ল-

### নিন্দালী গীত (ছাওৱা ভূৰকা গীত)

*"নাচ বুঢ়ী নাচ*

*কৈলা কাপোৰ নাচ*

*নাচন পখিলা*

*দেশেৰ মানুহ পাছ ধৰিছে*

*আমাৰ বাচাৰ নাচোন দেখিয়া*

*গাওঁৰ বুঢ়া যায় ভূলিয়া।"*[২১]

*আকৌ,*

*“এণ্ডা নাচে ভেণ্ডা নাচে*

*মৰা ডানিত ঘূগু নাচে*

*ময় নাজানং দাদা জানে*

*ভাল ভাল মানুহ ধৰিয়া আনে।”*[২২]

*“আমাৰ বাচা ভাল*

*পিন্ধে ফাৰা জাল*

*ঘৰে ঘৰে বিচিৰি বেৰায়*

*কুন বুঢ়ীটা / বুঢ়াটা ভাল।”*[২৩]

**চুড়াকৰণৰ গীত ঃ**

*“তেল চেৰা পিৰা খিনি*

*তাৰো চাৰি খুৰা*

*ৰাম ৰাজাক তেল চৰায়*

*তাতে বসিয়া*

*বাপুৰে মাথাতে পাথাৰো তুলিছে*

*শ্ৰী আংঠি দিয়া*

*বামুনো আহিছে বাইয়ো আহিছে*

*তেলো ধাৰে ধাৰে দিয়া। হে ৰাম,*

*হে পন্ধৰে দুবৰি আনা হ'ল চাবুৰি*

*তেল চৰাবাৰ বনি হে।”*[২৪]

**ধুৰানিৰ গীত (তোলনি বিয়াৰ গীত) ঃ**

*“আমাৰ আয়াৰ চুলি*

*কৰে ঝুলা ঝুলি*

*বান্ধিছে আহিয়া মাথাটা চুচিয়া*

*খোপাটা বান্ধিয়া দিলেহি-*

*অ'হৰি ৰাম.............”*[২৫]

**সাঁথৰ ঃ**

কোচ-ৰাজবংশী লোকসাহিত্যৰ এক অবিচ্ছেদ্য অংগ হৈছে সাঁথৰ। সাঁথৰবোৰ প্ৰশ্নোত্তৰ ধৰ্মী। কোচ-ৰাজবংশী লোকসকলে সাঁথৰক ছোলোক, ছিলকা, ছিল্লোক বুলি কয়। কোচ ৰাজবংশী লোকসমাজত প্ৰচলিত এনে কিছুমান সাঁথৰ হ'ল-

১) কুতি যাইসৰে বুঢ়াৰ বেটা
কান্দত কুঠাৰ লয়া
গাছ নাই তাৰ ফল আছে
কি কাটিবি যায়া।

— কুমুৰা (কোমোৰা)

২) ঘৰেৰ তলত ঘৰ
ওৰ তলতে পৰিয়া মৰ।

— মুচুৰি (আঁঠুৰা)

৩) একডাল লাঠি
কিৰ কিৰা গাঠি।

— ভূটা

৪) ৰাজাৰ বেটি ধুপুলি পেটি
বিনা কদালে খুন্দে মাটি।

— গাহৰি

৫) দুই ফালে দুইটা ঠোঁট
ডিমা পাৰে লোটা লট।

— পেটা (মহুৰা)

৬)　ভাইৰে ভাই

সন্দাবা পাৰিলুং

ওলাবা নাপাৰিলুং।

— টেপা

৭)　দিলে নেনং

নিদিলে নেয়ং।

— মৈ

৮)　চুলি কেংকেৰি বাই

ঘাটে ঘাটে পানী খায়।

— বৰশী

কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত সাঁথৰৰ বিষয় বৈচিত্ৰ্যতা অন্যতম মন কৰিবলগীয়া দিশ।

## প্ৰবাদ-প্ৰবচন ঃ

প্ৰবাদ-প্ৰবচন কোচ-ৰাজবংশী লোকসাহিত্যৰ এক গুৰুত্বপূৰ্ণ অংশ। প্ৰবাদসমূহ কোনো এটা জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ সংক্ষিপ্ততম অভিব্যক্তি য'ত সেই জনগোষ্ঠীটোৰ গাৰ্হস্থ্য জীৱন, সমাজনীতি, জীৱন-ধৰণ, আচাৰ-বিচাৰ, স্বাস্থ্যনীতি, লোকবিশ্বাস, নীতিশিক্ষা, লোকাচাৰ, স্বভাৱ-চৰিত্ৰ, ব্যঙ্গ আদি বিভিন্ন দিশৰ উমান পাব পাৰি। "*প্ৰবাদ-প্ৰবচনৰ দৰে কোনো সাহিত্য, ইমান দ্ৰুত আৰু নিৰ্দ্দিষ্টভাৱে কোনো জাতিকে শোকত সান্ত্বনা, বিপদত ধৈৰ্য্য, ধৰ্ম আৰু নীতিৰ উপদেশ দি বিভ্ৰান্তক সঠিক পথ দেখুৱাব নোৱাৰে।*"[২৬]

কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত কেতবোৰ প্ৰবাদৰ জৰিয়তে সকলো কাম বা কথা যে মানুহৰ নিজৰ দৃষ্টিভংগী তথা চিন্তাধাৰাৰ ওপৰত নিৰ্ভৰ কৰে তাকে বুজাবলৈ প্ৰয়োগ কৰা হয়। যেনে-

"বহিবা জানিলে মাঠিয়ে পীৰা

খাবা জানিলে চাউলে চিৰা।”

“ঘিৰিলে বিৰিলে বাৰী

পিন্ধিলে উৰিলে নাৰী।”

সমাজত বিভিন্ন শ্ৰেণীৰ মানুহ বসবাস কৰা বাবে মানুহবোৰৰ আচাৰ-ব্যৱহাৰৰ ক্ষেত্ৰতো ভিন্নতা দেখিবলৈ পোৱা যায়। সচৰাচৰ সমাজত দেখা যায় যে ক্ষমতাশালী লোকৰ ওপৰত কোনেও মাত নামাতে কিন্তু তাৰ বিপৰীতে দুৰ্বল বা দুখীয়া লোকৰ ওপৰত মাত মাতে বা দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি তলতীয়া কৰাৰ প্ৰচেষ্টা চলায়। এনে অৰ্থ প্ৰকাশক প্ৰবাদ-প্ৰবচনৰ প্ৰয়োগো কোচ-ৰাজবংশী লোকসমাজত পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে,

“হেলা গাছত সবে কুঠাৰ মাৰে।”

নাৰী মমতাময়ী। বিশেষকৈ নিজৰ সন্তানৰ ক্ষেত্ৰত এই মমতাময়ীৰ সাৰ্বজনীন ৰূপ প্ৰকাশ পায়। মাতৃৰ বাবে সন্তান সকলোতকৈ আপোন। মাকে যিদৰে সন্তানৰ আলপৈচান ধৰে, কষ্টৰ মাজেৰে নিজ সন্তানক তুলি-তালি ডাঙৰ-দীঘল কৰে, সন্তানৰ সুখ-দুখ সকলোতে সমভাগী হয় তদ্ৰূপ আন কোনেও হ'ব নোৱাৰে। এক কথাত ক'বলৈ গ'লে মাতৃস্নেহ অতুলনীয়। কিন্তু যেতিয়া সেই মাতৃ আমাৰ জীৱনৰ পৰা চিৰদিনৰ বাবে হেৰাই যায় তেতিয়া সেই মাতৃস্নেহৰ পৰা বঞ্চিত হ'বলগীয়া হয়। এনেধৰণৰ অৰ্থ প্ৰকাশক প্ৰবাদ-প্ৰবচনৰ ব্যৱহাৰ কোচ-ৰাজবংশী লোকসমাজৰ এক মনকৰিবলগীয়া দিশ-

“যাৰ নাই মাও

তাৰ নাই ভাও।”

কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত কেতবোৰ প্ৰবাদ প্ৰবচনত ব্যঙ্গাত্মক মনোভাৱ প্ৰকাশিত হোৱা দেখা যায়। যেনে-

“আপোন বাখিনী কূলা ঢাকিনী।”

“নামত গগনা ফাটা।”

“বুঢ়া গৰুৱে কমলা ঘাঁশ বিছিৰায়।”

“কাপালত নাই যি

ঠেকঠেকেয়া পায় কি?”

উক্ত প্ৰবাদটিত কোচ-ৰাজবংশী লোকসকলৰ ভাগ্যৰ প্ৰতি থকা নিৰ্ভৰশীলতাৰ পৰিচয় পোৱা যায়। যদি ভাগ্যত বা কপালত নাথাকে তেন্তে হাজাৰ চেষ্টা কৰিও তাক পোৱা নাযায়। ভাগ্যত যি লিখা থাকে অন্তত গৈ সেয়াই হয়-

“কাপালেৰ লেখন

নাযায় খণ্ডন।”

ইয়াৰ উপৰিও,

“আছে কাফুৰেৰ আছে জাৰ

নাই কাফুৰেৰ নাই জাৰ।”

উক্ত প্ৰবাদটিৰ জৰিয়তে সমাজবাস্তৱতাৰ এটা দিশ প্ৰতিফলিত হৈছে। সচৰাচৰ সমাজত দেখা শ্ৰেণী বিভাজনৰ যি বাস্তৱতা সেয়া সুন্দৰৰূপত ফুটি উঠিছে। ধনী লোকৰ দৰে দুখীয়া লোকসকলে ইচ্ছা থকা সত্বেও নিজৰ প্ৰয়োজনীয় সাজ-পোছাক ক্ৰয় কৰি পৰিধান কৰিব নোৱাৰে।

ইয়াৰ উপৰিও, অন্যান্য প্ৰবাদ প্ৰবচনসমূহ হৈছে-

১) টেকাও ভাতেৰ ধূঙায় কামাৰায়।

২) ভালে পায় ভালক

জাবৰে পায় খালক।

৩) অতি চালাকে গলায় ৰছী।

৪) ৰাস্তাত পাইলং কামাৰ

দাও গঢ়েয়া দেক আমাৰ।

৫) বাৰ হাত কাকিৰলেৰ তেৰ হাত বিচি।

৬) জেংকা কুকুৰ

সেংকা তাঙল।

৭) হাউসে বিদ্যা কিৰপণে ধন।

৮)	যাকে নিন্দে তাকে ফান্দে

তাৰ ঠেঙাতে ধৰিয়া কান্দে।

৯)	এক গুলিত দুই শিকাৰ।

১০)	থান হাৰাইলে মানো হাৰায়।

সাঁথৰ, প্ৰবাদ-প্ৰবচন, লোকগীত আদি কোচ-ৰাজবংশী লোকসাহিত্যৰ বলিষ্ঠ অংগ। এইবোৰ কোচ-ৰাজবংশী লোকসাহিত্যৰ ভঁৰাল সমৃদ্ধিশালী কৰি তুলিছে।

## ১.০২.৪ সাজপোছাক ঃ

কোচ-ৰাজবংশী লোকসকলে পৰিধান কৰা সাজপোছাকৰ যোগেদিও তেওঁলোকৰ সাংস্কৃতিক জীৱনৰ আভাস পাব পাৰি। সাজপোছাক হৈছে মানুহৰ মৌলিক প্ৰয়োজনীয় সামগ্ৰীৰ ভিতৰত অন্যতম। মানৱ সভ্যতাৰ পৰিচায়ক সাজপাৰ পূৰ্বতে শীত-তাপৰ নিয়ন্ত্ৰণৰ বাবে আৰু লজ্জা নিবাৰনৰ বাবে ব্যৱহাৰ হৈছিল যদিও বৰ্তমান সময়ত মানুহৰ ৰুচিবোধ আৰু সৌন্দৰ্যবোধৰ দিশটোও জড়িত হৈ পৰে। সেই কাৰণে বিৰিঞ্চি কুমাৰ বৰুৱাই এনেদৰে কৈছে- “*সাজপাৰ জাতিৰ শ্লীলতা, আৰ্থিক অৱস্থা, সৌন্দৰ্যপ্ৰিয়তা, শিল্পীমান, সুকুমাৰ প্ৰতিভাৰ বিকাশ।*”[২৭]

কোচ-ৰাজবংশী মহিলাসকলে পৰিধান কৰা সাজপোছাকে এক সুকীয়া পৰিচয় দাঙি ধৰে। কোচ-ৰাজবংশী মহিলাসকলে পৰিধান কৰা জাতীয় পোছাকযোৰ হৈছে- ‘পাটানী’ আৰু ‘আগৰণ’। ৫-৬ হাত দীঘলীয়া পাটানীযোৰ মহিলাসকলে বুকুত গুজি পিন্ধে আৰু ভৰিৰ গৰহালৈকে ঢাক খাই থাকে। আগৰণখন গাৰ ওপৰৰ অংশ ঢাকিবলৈ পৰিধান কৰা হয়। পাটানীত সাধাৰণতে পাঁচোটা পাৰি থাকে। অৱশ্যে তিনিটা পাৰিৰ পাটানীৰো প্ৰচলন আছে। ইয়াৰ উপৰিও বিভিন্ন প্ৰকাৰৰ ফুলৰ পাটানীৰ প্ৰচলন আছে। যেনে- “*পাঁচপাতী কুণ্ডল ফুল, নাকাৰ খুজীয়া দুইপাতী ফুল, পাঁচপাতী ফুল, শিকলবালা ফুল, পাচকল খলপীয়া ফুল, তিনপাতীয়া ফুল, শালফুল, পাৰচুকা ফুল*”[২৮] আদি ফুলৰ চানেকিৰে কোচ-ৰাজবংশী মহিলাসকলে নিজ হাতে পাটানী বোৱে আৰু পৰিধান কৰে। কোচ-ৰাজবংশী মহিলাসকলে বিশেষকৈ কাম কৰা সময়ত ব্যৱহাৰ কৰা কাপোৰ হৈছে- ‘কোমৰ বান্ধা কাপুৰ’ অথবা ‘ঢেপৰ মাৰা কাপুৰ’ অথ্যাৎ কঁকাল বন্ধা কাপোৰ আৰু টোপৰ মাৰা কাপুৰ অৰ্থাৎ মূৰত বন্ধা কাপোৰ।

ইয়াৰ উপৰিও অতীতৰে পৰা কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত আন এক বস্ত্ৰ হ'ল "কবচ কাপুৰ।" পূৰ্বতে যুদ্ধত জয় লাভ কৰা বা প্ৰাণ ৰক্ষাৰ উদ্দেশ্যে এই কবচ কাপুৰ ব্যৱহাৰ কৰা হৈছিল। এই বস্ত্ৰখন কোচ-ৰাজবংশী নাৰীসকলৰ বিশেষকৈ নিজৰ স্ত্ৰী অথবা মাকে নিজৰ স্বামী বা পুত্ৰৰ কাৰণে বোৱাইছিল। তদুপৰি, মহিলাসকলে ঠাণ্ডা দিনত এণ্ডীসূতাৰ চাদৰ ব্যৱহাৰ কৰিছিল।

কোচ-ৰাজবংশী পুৰুষসকলে ব্যৱহাৰ কৰা সাজপোছাক হ'ল 'আংছা' বা 'আঙছা', 'গামছা', 'ফতৰা', 'মুগছা', 'ফালী'। পুৰুষসকলে আংছাখন কঁকালত গাঁঠি মাৰি পিন্ধে। পুৰুষসকলে ঠাণ্ডা দিনত 'পাছাৰা' ব্যৱহাৰ কৰে। পাছাৰা দুই প্ৰকাৰৰ- এণ্ডি পাছৰা আৰু কপাহৰ পৰা সূতা কাটি বোৱা পাছৰা। গামছাখন গা মচা, মুখ মচিবলৈ ব্যৱহাৰ কৰা হয়। গামছা হালধীয়া, সেউজীয়া, পখৰা আদি বিভিন্ন ৰঙৰ তৈয়াৰ কৰা হয়।

**"ফতৰা ঃ**

কপাহৰ সূতাৰে বোৱা কাপোৰৰ পৰা গেঞ্জীৰ নিচিনাকৈ চিলাই কৰি পুৰুষসকলে ফতৰা তৈয়াৰ কৰি লয়। বিভিন্ন ধৰণৰ কাম-কাজ কৰিবলৈ যেনে- হাল-কৃষিৰ কাম, ঘৰুৱা কাম কাজ কৰিবলৈ ফতৰা ব্যৱহাৰ কৰা হয়।

**গোলছা ঃ**

সম্ভ্ৰান্ত ঘৰৰ লোকসকলে ডিঙিত ওলমাই লোৱা কাপোৰখন হ'ল গোলছা।

**মুগ্‌ছা ঃ**

পুৰুষ মহিলা উভয়ে হাত মুখ মচিবলৈ যিখন কাপোৰ ব্যৱহাৰ কৰে সেই কাপোৰখনৰ নাম হ'ল মুগছা।

**ফালী ঃ**

ফালী তিনি প্ৰকাৰৰ- দৈনন্দিন ব্যৱহৃত ফালী, বিয়াৰ পাগুৰিৰ ফালী আৰু দেওফালী। দৈনন্দিন ব্যৱহৃত ফালীখন পুৰুষসকলে কাম-কাজ কৰিবলৈ মূৰত বান্ধি লোৱাৰ কাৰণে ব্যৱহাৰ কৰে। বিয়াৰ ফালীখন ১০ হাতমান দীঘল হয় আৰু বিয়া পাতিবলৈ যোৱাৰ সময়ত ব্যৱহাৰ কৰে। দেও ফালীখনো ১০ হাতমান দীঘল আৰু বাঁশ পূজাৰ চোঁৰৰ আৰি দিবলৈ ব্যৱহাৰ কৰে।

ইয়াৰোপৰি দৈনন্দিন জীৱনত ব্যৱহৃত বিভিন্ন কাপোৰ কানিবোৰৰ ভিতৰত আছে- তেলৰ আওছা, তেল পাটানী, পঞ্চৰঙী পাটানী, হালধি মোছা, আখৈ তোলা কাপোৰ, দোপাট্টী ইত্যাদি।'[২৯]

## ১.০২.৫ আ-অলংকাৰ ঃ

আ-অলংকাৰ নাৰীসকলৰ এক অন্যতম আভূষণ। অতীতৰে পৰা কোচ-ৰাজবংশী নাৰী সমাজত আ-অলংকাৰ পৰিধান কৰা প্ৰথা চলি আহিছে। কোচ-ৰাজবংশী নাৰীসকলে যে বিভিন্ন ধৰণৰ আ-অলংকাৰ পৰিধান কৰিছিল সেই কথাৰ আভাস কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত কেতবোৰ প্ৰবাদ প্ৰবচনৰ পৰা পাব পাৰি।

"সোণাৰ আংটি টেৰিয়াও ভাল।' ঠিক তেনেদৰে কিছুমান লোকগীততো তাৰ উমান পোৱা যায়। যেনে-

*"কমলা সুন্দৰীৰ হাতেৰে চুৰি*
*ৰিণি ঝিনি বাজেৰে*
*কমলা সুন্দৰীৰ কাপোৰ ওন্তী*
*ঝলমল ঝলমল জ্বলেৰে।"*

কোচ ৰাজবংশী নাৰীসকলে পৰিধান কৰা আ-অলংকাৰ বোৰ হ'ল-

### কাণত পিন্ধা অলংকাৰ ঃ

ফুলকৰি, থোকা ফুলকৰি, ঝিজিৰিটনা ফুলকৰি, অন্তি বা তন্তি, মাছিয়াপাত, ৰিং, কাণপাচা, চাকি, মাকিৰি, গুজি, সোণাসিসা, দুল, কাণবালি আদি।

### নাকত পিন্ধা অলংকাৰ ঃ

নাকফুল, নাকবালি, নত, নোলো, ডম্বকৰ ফুল, ফুৰফুৰি আদি।

### গলত পৰিধান কৰা অলংকাৰ ঃ

পাণমাদুলি, পেউচি, সূৰ্যহাৰ, চন্দ্ৰহাৰ, চোৰাকাটি, মধুমালা, টাকাচাৰা, কাঠিমালা, কুচিয়ামাৰ হাৰ, হাসুলা বা হাসুলী, চিতাহাৰ, গজমতী হাৰ সৰস্বতী হাৰ ইত্যাদি।

**কপালত পৰিধান কৰা অলংকাৰ ঃ**

সিতাপাটি, টিকলি, সিতাবন (ৰূপৰ মুকুট)। সিতাবন অভিজাত পৰিয়ালৰ মহিলাইহে কেৱল ব্যৱহাৰ কৰা দেখা যায়।

**হাতত পৰিধান কৰা অলংকাৰ ঃ**

গোটাখাৰু, গকুলখাৰু, মোটাখাৰু, শাখাখাৰু, কংকন, পাচা, পালিচ পাতা, বাওটি, চুৰ, চুৰাতি, ৰতনচুৰ আদি। বিবাহিতা নাৰীয়ে হাতত শংখ শাখা আৰু ৰঙা শাখা পৰিধান কৰে।

**বাহুত পিন্ধা অলংকাৰ ঃ**

কাটাবাজু, তাৰবাজু, বাঁশপাতাৰি।

**আঙুলিত পিন্ধা অলংকাৰ ঃ**

আংটি।

**ভৰিত পিন্ধা অলংকাৰ ঃ**

ঠেং খাৰু, বাকখাৰু (ৰূপৰ), পাৰ খাৰু, ঠেংচেল্লা, পাঞ্জা, পাঁইজো আদি। উক্ত অলংকাৰবোৰৰ কিছুমান সোণৰ আৰু কিছুমান কেৱল ৰূপৰে গঢ়া হয়।

কোচ ৰাজবংশী মহিলাসকলে পূৰ্বতে খোপাত 'চেদাৰ কাটা' (কেটেলাপহুৰ কাঁইট) ব্যৱহাৰ কৰিছিল। কিছুমানে ৰূপৰ কাটাও ব্যৱহাৰ কৰিছিল। এইখিনিতে উল্লেখযোগ্য যে- অলংকাৰ পিন্ধাৰ ক্ষেত্ৰত মন কৰিবলগীয়া কথা হ'ল যে কঁকালৰ তলৰ অলংকাৰবোৰ ৰূপৰ। সম্ভৱত তলৰ অংগবোৰত সোণৰ অলংকাৰ পিন্ধাৰ নিয়ম নাই।

**১.০২.৬ খাদ্যসম্ভাৰ ঃ**

কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ খাদ্যসম্ভাৰ তথা খাদ্যাভাসৰ ক্ষেত্ৰত এক সুকীয়া পৰিচয় পোৱা যায়। কোচ-ৰাজবংশী লোকসকলৰ প্ৰধান খাদ্য ভাত। তেওঁলোকে অতীতৰে পৰা বিভিন্ন ভাত যেনে- পন্তাভাত (পইতাভাত), মাৰি ভাত (পানীয়া ভাত) আদি খোৱাৰ নিয়ম আছে। ভাতকেই প্ৰধান খাদ্য হিচাপে গ্ৰহণ কৰা কোচ-ৰাজবংশী লোকসকলে চাউলৰ পৰা বিভিন্ন ধৰণৰ খাদ্য যেনে- খোলাচাপৰি পিঠা, টেকেলী পিঠা, পুৰা পিঠা, উহা লাৰু, তিলৰ লাৰু, মুৰীৰ লাৰু, চিৰাৰ লাৰু, শুকান লাৰু আদিৰ প্ৰস্তুত কৰে। কোচ-ৰাজবংশী লোকসকলে গৰু ম'হৰ

গাখীৰ খাই ভাল পায় আৰু এনে গাখীৰৰ পৰা দৈ, ঘিউ, আদি তৈয়াৰ কৰি খায়। এওঁলোকৰ প্ৰধান খাদ্য ভাত হ'লেও দৈ চিৰা অতিকৈ প্ৰিয় আৰু সন্মানীয় খাদ্য। বিয়াবাৰু, সকাম, পূজা-পাতল, উৎসৱ-পাৰ্ব্বণ আদিত দৈ, চিৰা, গুড় মিঠাই আদিৰে অতিথিক আপ্যায়ন কৰা পৰিলক্ষিত হয়।

কোচ-ৰাজবংশী লোকসকলৰ আন এবিধ প্ৰিয় খাদ্য হ'ল মাছ। এওঁলোকে মাছ ভাজি খোৱাৰ উপৰিও ৰ'দত বা জুইত শুকুৱাই খায়। মাছৰ পিছত আন এক প্ৰিয় খাদ্য হ'ল মাংস। এঁওলোকে হাঁহ, কুকুৰা, ছাগলী, ভেড়া, গাহৰি, পাৰ চৰাই, কপৌ চৰাইৰ মাংস খাই ভাল পায়। এওঁলোকে কেঁচা মাংস ৰান্ধি খোৱাৰ উপৰিও শুকান মাংস আৰু জুইত পোৰা মাংস খায়। তাৰোপৰি, মাজে সময়ে কুকুৰা, ছাগলী আদিৰ ঠেংবিলাক জুইত শুকুৱাই সেইবোৰ টুকুৰা টুকুৰ কৰি গৰম পানীত চাফা কৰি কেতবোৰ শাকৰ সৈতে জালুক, আদা, নহৰু, পিয়াজ, তেল আদিৰে 'ঝাল' ৰান্ধি খায়।

শাক-পাচলিৰ ক্ষেত্ৰত কোচ-ৰাজবংশী লোকসকলৰ বতৰৰ সকলো শাক পাচলি খাই ভাল পায়। শাক পাচলিৰ উপৰিও বতৰৰ সকলো ধৰণৰ ফল মূল আদিও খোৱা দেখা যায়। আম, জাম, কঁঠাল, পনিয়াল, কলগছ, বগৰী, কমলা, ৰবাব টেঙা, আদি কোচ-ৰাজবংশী লোকসকলৰ ঘৰত থকা দেখিবলৈ পোৱা যায়।

উপৰোক্ত খাদ্যসম্ভাৰৰ উপৰিও কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ মাজত কেতবোৰ খাদ্যৰ প্ৰচলন আছে যিবোৰৰ ৰন্ধন তথা প্ৰস্তুত প্ৰণালী নিজস্ব বৈশিষ্ট্যপূৰ্ণ। সেইবোৰ হৈছে-

**ছিদল ঃ**

কোচ-ৰাজবংশী লোকসকলৰ আটাইতকৈ প্ৰিয় আৰু বৈশিষ্ট্যপূৰ্ণ খাদ্য হ'ল ছিদল। শুকান মাছ গুৰি কৰি মান কচুৰ ঠাৰি, নহৰু, জলকীয়া আদিৰে ছিদল তৈয়াৰ কৰা হয়।

**চেকা ঃ**

চেকাও কোচ-ৰাজবংশী লোকসকলৰ অন্য এক প্ৰধান খাদ্য। আঠিয়া কলৰ বাকলি, মূঢ়া আদি কাটি, ৰ'দত শুকাই পুৰি ছাইখিনিত পানী ছটিয়াই সৰু বা ডাঙৰ আকৃতিৰ লাৰু বনাই মাটিৰ পাত্ৰত ভৰাই থয়। কিছুমান লাৰু নবনাই ছাইখিনি ভালদৰে থৈ দিয়ে। খোৱাৰ আগত

ছাইখিনি পানীত তৈয়াই থৈ পানীখিনি নিগৰাই চেকা তৈয়াৰ কৰে। চেকাখিনি বটলত ভৰাই বহুদিনলৈ সংৰক্ষণ কৰি ৰাখিব পাৰি।

**পাতাও ঃ**

কলপাতেৰে মেৰিয়াই জুইত পোৰা খাদ্যক পাতাও বোলে। সাধাৰণতে সৰু মাছ, বনৰীয়া কচুৰ কুমলীয়া পাত আদি পাতাও দি খোৱা হয়। জুইত সিজাই লৈ পিছত তেল, নিমখ, জলকীয়া সানি পাতাও খোৱাটো কোচ-ৰাজবংশী সকলৰ খুবেই প্ৰিয়।

**শুকাতি ঃ**

মৰাপাটৰ পাত ৰ'দত শুকাই থোৱাকে শুকাতী বোলে। ইয়াক চেকা (খাৰ) দি খোৱা হয়।

কোচ-ৰাজবংশী লোকসকলে মাছ- মাংস, শাক- পাচলি, ফলমূল আদি বহুদিনলৈ সংৰক্ষণ কৰি ৰখাও পৰিলক্ষিত হয়। মূলা, পূৰঠ কোমোৰা আদি পাতলকৈ কাটি ৰ'দত শুকাই থয়। বাসকা তিতা (বাহক তিতা), চেপাৰী ফুল (শেৱালী ফুল) আদি ৰ'দত শুকাই বহুদিনলৈ সাঁচি ৰখা দেখা যায়। এইবোৰৰ ঔষধ গুণ থকা কাৰণে কোচ-ৰাজবংশী লোকসকলে সংৰক্ষণ কৰি ৰাখে। ইয়াৰোপৰি আদা, হালধি, জলকীয়া আদিকো ৰ'দত শুকাই সংৰক্ষণ কৰি ৰাখে।

ওপৰোক্ত আলোচনাৰ পৰা কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ থলুৱা খাদ্য, ৰন্ধন প্ৰণালী, সংৰক্ষণ প্ৰণালী আদিৰ আভাস পাব পাৰি।

এই অধ্যায়টিৰপৰা কোচ-ৰাজবংশী জনগোষ্ঠীটোৰ পৰিচয় আৰু সাংস্কৃতিক দিশটোৰ বিষয়ে অনুধাৱন কৰিব পাৰি।

*****

# প্ৰসংগটীকা ঃ

১) দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰ ঃ *কোচ-কমতাৰ ইতিকথা*, পৃঃ১৮
২) অজিত কুমাৰ বৰুৱা ঃ *কোচ ৰাজ্যৰ বুৰঞ্জী*, পৃঃ৩০
৩) অজিত কুমাৰ বৰুৱা ঃ *কোচ ৰাজ্যৰ বুৰঞ্জী*, পৃঃ৩১
৪) প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ৩২
৫) অম্বিকাচৰণ চৌধুৰী ঃ *কোচ-ৰাজবংশী জনগোষ্ঠীৰ ইতিহাস আৰু সংস্কৃতি* পৃঃ৪২
৬) অজিত কুমাৰ গোস্বামী (অনুবাদ) ঃ *কিৰাত জনকৃতি, পৃঃ সম্পাদকীয় টোকা।*
৭) অজিত কুমাৰ বৰুৱা ঃ *কোচ ৰাজ্যৰ বুৰঞ্জী*, পৃঃ৩১
৮) দ্বিজেন্দ্ৰ নাথ ভকত ঃ *অসমৰ কোচ-ৰাজবংশী জনজাতি*, পৃঃ৯
৯) প্ৰাগুক্ত গ্ৰন্থ ঃ পৃঃ৯
১০) মুনীন্দ্ৰ দাস ঃ *অসমৰ নৃগোষ্ঠীয় উত্তৰণৰ ইতিহাস*, পৃঃ৪৪৫
১১) খৰ্গেশ্বৰ নায়ক ঃ *ৰাজবংশী উপভাষা ঃ বিশ্লেষণাত্মক অধ্যয়ন, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ*, পৃঃ৮।
১২) দ্বিজেন্দ্ৰ নাথ ভকত ঃ *অসমৰ কোচ-ৰাজবংশী জনজাতি*, পৃঃ২০
১৩) প্ৰমোদ বৰা ঃ *কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক ইতিহাস*, পৃঃ১৩
১৪) মুনীন্দ্ৰ দাস ঃ *অসমৰ নৃগোষ্ঠীয় উত্তৰণৰ ইতিহাস*, পৃঃ৪৪৫-৪৪৬
১৫) অৰূপজ্যোতি দাস ঃ *কামতেশ্বৰ বিশ্বসিংহ আৰু কোচৰ শেষ অভ্যুত্থান*, পৃঃ৮৭-৮৮
১৬) অৰূপজ্যোতি দাস ঃ *কোচ-ৰাজবংশী কামতাপুৰ*, পৃঃ২৬
১৭) দীপশিখা ৰায় ঃ *ধুবুৰী জিলাৰ কোচ-ৰাজবংশী সকলৰ ঋতুকালীন উৎসৱ এটি অধ্যয়ন*, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, পৃঃ১৫
১৮) লীলা গগৈ ঃ *অসমৰ সংস্কৃতি*, পৃঃ ১৬৮
১৯) নিৰ্মল প্ৰভা বৰদলৈ ঃ *অসমৰ লোকসংস্কৃতি*, পৃঃ৪৩
২০) নবীন শৰ্মা ঃ *অসমীয়া লোকসংস্কৃতিৰ আভাস*, পৃঃ১০১
২১) তথ্যদাতা ঃ *শ্ৰীমতী শুকেন ৰায়, মহিলা, ৬৬ বছৰ, ডিমলগাঁও।*
২২) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি

| | | | |
|---|---|---|---|
| ২৩) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ২৪) | তথ্যদাত্ৰ | ঃ | দৈৰকী ৰায়, মহিলা, ৩২ বছৰ, চাপাগুৰী, চিৰাং। |
| ২৫) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ২৬) | দ্বিজেন্দ্ৰ নাথ ভকত | ঃ | *ৰাজবংশী লোকসাহিত্য*, পৃঃ৬ |
| ২৭) | বিৰিঞ্চি কুমাৰ বৰুৱা | ঃ | *অসমৰ লোকসংস্কৃতি*, পৃঃ১৩১ |
| ২৮) | তথ্যদাতা | ঃ | শ্ৰী বুদ্ধেশ্বৰ ৰায়, পুৰুষ, ৫৫ বছৰ, চন্দ্ৰপাৰা। |
| ২৯) | লিলি দাস | ঃ | *অভিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশীসকলৰ উৎসৱ-অনুষ্ঠান ঃ এক অধ্যয়ন*। (অপ্ৰকাশিত গৱেষণা গ্ৰন্থ), পৃঃ৭ |